জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৫০/২০২১

**অসম চুক্তিৰ বিভিন্ন দফাৰ ৰূপায়ণ সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰ সৈতে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হ'ল গুৰুত্বপূৰ্ণ বৈঠক**

# চুক্তিৰ বিভিন্ন দফা ৰূপায়ণৰ ৰূপৰেখা প্ৰস্তুতিৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰতিনিধি আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিনিধিৰে গঠন কৰা হ'ব এখন উপ-সমিতি

**দিছপুৰ, ০৭ ছেপ্টেম্বৰ ঃ** অসম চুক্তিৰ বিভিন্ন দফাৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কইনাধৰাস্থিত ১ নং ৰাজ্যিক অতিথিশালাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ নেতৃবৃন্দৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠক আজি অনুষ্ঠিত হয়। উক্ত বৈঠকত অসম চুক্তিৰ বিভিন্ন দফাৰ ফলপ্ৰসূ আৰু কাৰ্যকৰী ৰূপায়ণ সন্দৰ্ভত বিতং আলোচনা কৰা হয়। বৈঠকৰ আৰম্ভণিতে শ্বহীদ স্মাৰক উদ্যান ৰূপায়ণ, যোগীঘোপাত মাল্টি মডেল লজিষ্টিক্স পাৰ্ক, অসম আন্দোলনৰ তথ্য কোষ প্ৰণয়নৰ অগ্ৰগতি, ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সুৰক্ষা ইত্যাদি বিষয় সামৰি সুকীয়া সুকীয়া প্ৰেজেণ্টেশ্যন আগবঢ়োৱা হয়।

সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্য, দুগৰাকী উপদেষ্টা ক্ৰমে উদ্দীপজ্যোতি গগৈ, প্ৰকাশ চন্দ্ৰ দাস, সভাপতি দীপাংক কুমাৰ নাথ, সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাকে ধৰি কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ ৪১ গৰাকী সদস্যই অংশগ্ৰহণ কৰা উক্ত বৈঠকত সদৌ অসম ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰী ড° শৰ্মাই অসম চুক্তিৰ বিভিন্ন দফা ৰূপায়ণৰ সন্দৰ্ভত আজি অনুষ্ঠিত কৰা আলোচনাৰ পদক্ষেপৰ শলাগ লোৱাৰ উপৰি মুখ্যমন্ত্ৰীক এই ক্ষেত্ৰত সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস প্ৰদান কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গই আশা প্ৰকাশ কৰে যে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নেতৃত্বত অসম চুক্তিৰ বিভিন্ন দফাৰ ৰূপায়ণে বিশেষ অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হ'ব।

মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা আজিৰ বৈঠকত অসম চুক্তিৰ সামগ্ৰিক ৰূপায়ণ বিশেষকৈ দফা ৬, ৭, ৯ আৰু ১০ ৰূপায়ণৰ ৰূপৰেখা প্ৰস্তুত তথা এখন শুদ্ধ এন আৰ চি প্ৰস্তুত কৰা, ৰাজ্যখনৰ বান আৰু গৰাখহনীয়া সমস্যাৰ নিৰাময়, অসম আন্দোলনৰ শ্বহীদ পৰিয়াল আৰু নিৰ্যাতিতসকলৰ পুনৰ সংস্থাপন, ৰাজ্যখনৰ জনসাধাৰণে সন্মুখীন হৈ অহা বিভিন্ন সমস্যা তথা ৰাজ্যখনৰ সৰ্বাংগীন বিকাশৰ ৰূপৰেখা প্ৰস্তুতৰ বাবে এখন উপ-সমিতি গঠন কৰাৰ বাবে আজিৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সমিতিত অসম চৰকাৰৰ প্ৰতিনিধি আৰু আছুৰ প্ৰতিনিধি অন্তৰ্ভূক্ত কৰা হ'ব। সমিতিখনে ৩ মাহৰ ভিতৰত এই সম্বন্ধে বিস্তৃত আলোচনা কৰি ৰূপায়ণৰ ৰূপৰেখা প্ৰস্তুত কৰিব।

আজিৰ বৈঠকত সদৌ অসম ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীৰ হাতত অৰ্পণ কৰা বিভিন্ন দাবী সম্বলিত স্মাৰক পত্ৰৰ বিষয়েও আলোচনা কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে সদৌ অসম ছাত্ৰ সন্থাই স্মাৰক পত্ৰত উল্লেখ কৰা ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ নামত তেজপুৰ বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আসন সৃষ্টি কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি জানিবলৈ দিয়ে। তদুপৰি, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সমাধিক্ষেত্ৰৰ আৰু অধিক সৌন্দৰ্যবৰ্দ্ধন, ড° ভূপেন হাজৰিকাৰ সাংস্কৃতিক প্ৰমূল্যবোধ আৰু আদৰ্শৰ বিষয় সামৰি বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভূক্তিকৰণ ইত্যাদিৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব বুলি ছাত্ৰ সন্থাৰ নেতৃবৃন্দক জানিবলৈ দিয়ে। স্মাৰক পত্ৰত উল্লেখ কৰা অন্যান্য বিষয়সমূহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে যোগাযোগ চলাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

নিজৰ বক্তব্যত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্য চৰকাৰৰ আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি জনাই সদৌ অসম ছাত্ৰ সন্থাই আজিৰ এই বৈঠকত অংশগ্ৰহণ কৰাৰ বাবে নেতৃবৃন্দক ধন্যবাদ জ্ঞাপন কৰে।

অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই বৈঠকত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টাচাৰ্যইও সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা বক্তব্য আগবঢ়ায়। আজিৰ এই বৈঠকত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন, বিধায়ক পদ্ম হাজৰিকা, মুখ্য সচিব জিষ্ণু বৰুৱা, আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত, ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিবসকল, ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ জ্যেষ্ঠ বিষয়া, সীমান্ত সুৰক্ষা বাহিনীৰ জ্যেষ্ঠ বিষয়া তথা সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ ৪১ গৰাকী সদস্যই অংশগ্ৰহণ কৰে।

**বঃভাঃ / প্ৰঃকুঃবঃ**
**০৭/০৯/২০২১**